**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

০০০০০০

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম সচিবালয়ত কালি সৌৰশক্তি প্ৰকল্প মুকলি কৰে। এই প্ৰকল্পৰ জৰিয়তে মাহে গড়ে তিনি লাখ ইউনিট বিদ্যুৎ উৎপাদন কৰি প্ৰচলিত শক্তিৰ উৎসৰ ব্যৱহাৰ হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে। ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্প মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, এই প্ৰকল্পৰ জৰিয়তে অসম সচিবালয় দেশৰ প্ৰথম সেউজ সচিবালয়ৰূপে পৰিগণিত হৈছে। এতিয়াৰে পৰা কেৱল সৌৰ শক্তিৰ দ্বাৰাহে অসম সচিবালয়ৰ কাম-কাজ চলিব বুলি তেওঁ প্ৰকাশ কৰে। এই প্ৰকল্পৰ ফলত অসম সচিবালয়ে প্ৰতিমাহে বহন কৰিবলগীয়া ৩০ লাখ টকা বিদ্যুৎ মাচুল ৰাহি হব বুলিও ড০ শৰ্মাই উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, শীঘ্ৰে ৰাজ্যৰ প্ৰধান চিকিৎসালয়, চৰকাৰী কাৰ্যালয়, আৰু বিশ্ববিদ্যালয়সমহূত সৌৰ শক্তিৰ ব্যৱস্থা কৰা হব। ৰাজ্যবাসীক ঘৰত সৌৰশক্তি পেনেল স্থাপন কৰিবলৈ তেওঁ আহ্বান জনায়। সৌৰশক্তি ব্যৱহাৰ কৰা লোকক প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিৰ জৰিয়তে চৰকাৰে ৰাজ সাহায্য প্ৰদান কৰিব বুলিও তেওঁ উল্লেখ কৰে। ইপিনে, ১ জুলাইৰ পৰা মন্ত্ৰী-বিধায়ক আৰু প্ৰথম শ্ৰেণীৰ বিষয়াসকলক ঘৰুৱা বিদ্যুৎ মাচুল নিজে নিজে পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ড০ শৰ্মাই লগতে অহা বছৰৰ পহিলা জুলাইৰ পৰা ৰাজ্যৰ নিম্ন, মধ্যবিত্ত আৰু দুখীয়া লোকৰ বিদ্যুৎৰ মাচুল এক টকাকৈ কমাবলৈ বিদ্যুৎ বিভাগক নিৰ্দেশ দিয়ে। অনুষ্ঠানত শক্তিমন্ত্ৰী নন্দিতা  গাৰ্লোচাৰ লগতে শক্তি বিভাগৰ বিভিন্ন শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০০

কেন্দ্ৰীয় কয়লা আৰু খনি, ড'নাৰ মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে দেওবাৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি ৰাজ্যৰ সমৃদ্ধিশালী খনিজাত সম্পদৰ উপযুক্ত ব্যৱহাৰ সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰীৰ বৈঠকত ৰাজ্যত অব্যহাৰিত হৈ থকা খনিজাত সম্পদৰ ব্যৱহাৰ বাবে এখন উচ্চ পৰ্যায়ৰ কমিটি গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জি কিষাণ ৰেড্ডীক উত্তৰ-পূব মন্ত্ৰ্যালয়ৰ দায়িত্ব লাভৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

০০০০০০

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ৰ উদ্যোগত কালি কলকাতাত ফৌজদাৰী ন্যায় প্ৰণালীৰ প্ৰশাসনত ভাৰতৰ প্ৰগতিশীল পথ শীৰ্ষক এখন সন্মিলন অনুষ্ঠিত হয়। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে এই সন্মিলন উদ্বোধন কৰি কয় যে, নতুনকৈ কাৰ্যকৰী হবলগীয়া ৩ খন আইনে ভাৰতক ঔপনিবেশিক চিন্তাচৰ্চাৰ পৰা

মুক্ত কৰিব। এই তিনিওখন আইন কাৰ্যকৰী হোৱাৰ লগে লগে বিচাৰ প্ৰক্ৰিয়া খৰতকীয়া হোৱাৰ লগতে সমাজৰ পিছপৰা শ্ৰেণীৰ লোকসকলেও সুবিচাৰ লাভ কৰিব। উল্লেখযোগ্য যে, অহা জুলাই মাহৰ পৰা ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ কাৰ্যকৰী হব। ভাষণ প্ৰসংগত অৰ্জুন ৰাম মেঘৱালে কয় যে, নতুন আইন ৩ খনক লৈ একাংশই কিছুমান ভিত্তিহীন অভিযোগ উত্থাপন কৰি আছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কোনো বিশেষজ্ঞৰ সৈতে আলোচনা নকৰাকৈ অথবা ৰাজ্যসমূহৰ পৰামৰ্শ নোলোৱাকৈ আইন কেইখন প্ৰনয়ন কৰা বুলি উত্থাপন হোৱা অভিযোগ পোনচাটে নাকচ কৰে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতিয়ে যোৱা ডিচেম্বৰত অনুমোদন জনোৱা এই আইন তিনিখন পহিলা জুলাইৰ পৰা বলৱৎ হ'ব। মন্ত্ৰ্যালয়ে কৈছে যে, এই আইন তিনিখনৰ বিষয়ে জনসাধাৰণ বিশেষকৈ আইন জগতৰ বিশিষ্ট ব্যক্তি, আইন বলৱৎকাৰী সংস্থা, শিক্ষাবিদ আৰু আইন পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সৃষ্টি উদ্দেশ্যে আইন পৰিক্ৰমা বিভাগে যোৱা দুমাহত নতুন দিল্লী আৰু গুৱাহাটীত দুখন গুৰুত্বপূৰ্ণ সন্মিলন অনুষ্ঠিত কৰিছে।

০০০০০০

অসমৰ হাফলঙৰ আমষ্ট্ৰং চাংছন কিউবাত ভাৰতৰ ৰাষ্ট্ৰদূত হিচাপে নিযুক্ত লাভ কৰিছে। ১৯৯৭ বেটছৰ ভাৰতীয় বৈদেশিক সেৱাৰ বিষয়া অসমৰ টি আমষ্ট্ৰং চাংছনক বিদেশ মন্ত্ৰ্যালয়ে কিউবাৰ ৰাষ্ট্ৰদূত নিযুক্তি দিছে। ইয়াৰ পূৰ্বে চাংছন ভাৰতৰ বিদেশ মন্ত্ৰ্যালয়ত যুটীয়া সচিব পদত কৰ্মৰত আছিল। উল্লেখযোগ্য যে দেশৰ অন্যতম দক্ষ বৈদেশিক সেৱাৰ বিষয়া হিচাপে পৰিচিত চাংছনে জাপান, দক্ষিণ আফ্ৰিকা আদি দেশতো ভাৰতীয় কূটনৈতিক বিষয়া হিচাপে সেৱা আগবঢ়াইছে। তদুপৰি দ্বীপ ৰাষ্ট্ৰ আইচলেণ্ডৰো ৰাষ্ট্ৰদূত হিচাপে চাংছন কৰ্মৰত আছিল।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীৰ ৰূপনগৰত নিৰ্মীয়মান অৱস্থাত থকা কামৰূপ মহানগৰ জিলা আয়ুক্ত কাৰ্যালয়টোৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। নিৰ্মাণকাৰ্যৰ খতিয়ান লৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই কাৰ্যালয়টো চলিত বছৰৰ শেষৰ ফালে মুকলি কৰা হব বুলি আশা প্ৰকাশ কৰে। তেঁও কয় যে, চলিত বছৰৰ শেষৰ পৰা ৰূপনগৰত নিৰ্মাণ কৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা প্ৰশাসনিক কাম-কাজ আৰম্ভ কৰিব পৰা যাব। বৰ্তমান হেঙেৰাবাৰীৰ কাৰ্যালয়টো দিশপুৰ উপ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ৰূপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি গুৱাহাটীৰ খানাপাৰাত নৱ নিৰ্মীত আৰক্ষী আয়ুক্তৰ কাৰ্যালয়টোও পৰিদৰ্শন কৰে। অহা বছৰৰ ১৫ আগষ্টৰ পূৰ্বে কাৰ্যালয়টোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০২২ চনৰ ১০ মে'ত চাৰি মহলীয়া আৰক্ষী আয়ুক্তৰ কাৰ্যালয়টোৰ আধাৰশিলা স্থাপন কৰিছিল।

ইপিনে, মুখ্যমন্ত্ৰীগৰাকীয়ে কালি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত নিৰ্মীয়মান এটা প্ৰেক্ষাগৃহৰ অগ্ৰগতিৰ বুজ লয়।

০০০০০০

ইছলামধৰ্মী লোকসকলৰ পৱিত্ৰ উৎসৱ ঈদ-উজ-জোহা আজি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে উদযাপন কৰা হৈছে। সমগ্ৰ দেশৰ লগতে অসমতো ঈদৰ উছাহ পৰিলক্ষিত হৈছে। ঈদ উপলক্ষে মছজিদ আৰু ঈদগাহসমূহ সজাই-পৰাই তোলা হৈছে। পুৱা সমূহীয়া নামাজৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ আন আন ঠাইৰ লগতে গোৱালপাৰা জিলাৰ ভিন্ন প্ৰান্ততো ঈদ-উজ-জোহা উদযাপন কৰা হৈছে। প্ৰতিকূল বতৰৰ বাবে ঈদৰ নামাজ পঢ়াত পলম

হোৱাৰ লগতে ঈদগাহৰ পৰিৱৰ্তে মছজিদসমূহত নামাজ অনুষ্ঠিত কৰা হৈছে। পুৰুষৰ সমানে মহিলাসকলেও ঈদৰ নামাজত ভাগ লয়।

ঈদ উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ঈদ-উজ-জোহাক ত্যাগৰ প্ৰতীক হিচাপে বৰ্ণনা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, এই উৎসৱে প্ৰেম, ভাতৃত্ববোধ আৰু সামাজিক সম্প্ৰীতিৰ বাৰ্তা বহন কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এই উৎসৱত ৰাইজক একতা, দয়া আৰু সংহতিৰ মূল্যবোধ সন্দৰ্ভত চিন্তা কৰিবলৈ আহ্বান জনায়।

ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়ায়েও ঈদ-উজ-জোহা উপলক্ষে ইছলামধৰ্মী লোকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীকাটাৰিয়াই কয় যে, ত্যাগৰ এই উৎসৱে জনসাধাৰণৰ মাজত পাৰস্পৰিক সহানুভূতি, সদিচ্ছা আৰু কৃতজ্ঞতাৰ মনোভাৱ শক্তিশালী কৰি তুলিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো ঈদ উপলক্ষে ইছলামধৰ্মী লোকসকলক শুভেচ্ছা জনাইছে।

০০০০০০

কেইবাদিনো ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ বান পৰিস্থিতি জটিল হৈ পৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি এই পৰ্যন্ত সাতখন জিলাৰ ৯৩ খন গাঁও বানৰ কবলত পৰিছে। বানৰ কবলত পৰা জিলা কেইখন হৈছে- বাক্সা, বৰপেটা, বঙাইগাঁও, ধেমাজি, গোৱালপাৰা, কৰিমগঞ্জ আৰু দক্ষিণ শালমাৰা। জিলাকেইখনত এই পৰ্যন্ত ৫ হাজাৰ ৯৮৫ জন লোক বানত ক্ষতিগ্ৰস্ত হৈছে। বানৰ কবলত পৰা লোকসকলৰ আশ্ৰয় আৰু সাহায্যৰ বাবে এই পৰ্যন্ত তিনিটা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। কৰিমগঞ্জত স্থাপন হোৱা আশ্ৰয়শিবিৰত জিলাখনৰ ৯৩০ জন লোকক আশ্ৰয় দিয়া হৈছে। বৰপেটা আৰু তামুলপুৰৰ উপনৈৰ বাঢ়নি পানীয়ে কেইবাখনো গাঁও বুজাই পেলাইছে। বৰপেটা জিলাৰ হাউলিত কৃত্ৰিম বানে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। ইপিনে তামুলপুৰৰ বৰলীয়া নৈৰ বাঢ়নি পানীয়ে মাজগাঁও ৰামে চুবুৰী আজি অঞ্চল প্লাবিত কৰিছে। চুবুৰীয়া ৰাজ্য মেঘালয়ৰ অন্তৰ্গত গুৱাহাটী-শিলচৰ সংযোগী ৰাষ্ট্ৰীয় ঘাইপথৰ লুমছুলমত পাহাৰৰ শিল আৰু বৃহৎ ভূমিখণ্ড খহি পৰাত ৰাষ্ট্ৰীয় ঘাইপথটোৰে যাতায়ত ব্যাহত হৈ পৰিছে। বতৰ বিজ্ঞান বিভাগে ৰেড এলাৰ্ট জাৰি কৰা লামডিং-বদৰপুৰ পাৰ্বত্য খণ্ডৰ ডিমাহাছাও অঞ্চলৰ মাজেৰে যোৱা ৰে'লপথসমূহত বোকাপানী জমা হৈ ৰে'ল আবদ্ধ হৈ পৰিব বুলি আশংকা কৰি উত্তৰ-পূব সীমান্ত ৰে'লৱে অঞ্চলটোৰ মাজেৰে চলাচল কৰি থকা কেইবাখনো ৰে'ল বাতিল কৰিছে।

০০০০০০

গুৱাহাটী আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই ৰাজ্যত প্ৰবল বৰ্ষাবতৰ আশংকা কৰি ৰেড এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰীই আজিৰে পৰা অহা ২০ জুনলৈ বিজুলী-ঢেৰেকনীৰে প্ৰবল বৃষ্টিপাত হোৱাৰ আগলি বতৰা দিছে। আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দেওবাৰে এই সম্পৰ্কে বিশেষ বতৰ বুলেটিনো প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা অনুসৰি চিৰাং, বাক্সা, বৰপেটা, বঙাইগাঁও আৰু তামুলপুৰত মজলীয়াৰ পৰা প্ৰবল বৰষুণ হোৱাৰ আশংকা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই দক্ষিণ শালমাৰা, গোৱালপাৰা, বজালি, নলবাৰী

আৰু কাৰ্বি আংলং জিলাত প্ৰচণ্ড বৰষুণ হ'ব বুলি আগলি বতৰা দিছে। বিশেষকৈ পশ্চিম কাৰ্বি আংলং, শিৱসাগৰ, চৰাইদেউ আৰু তিনিচুকীয়াত প্ৰবল বৰষুণৰ ফলত পৰিস্থিতি ভয়াবহ হৈ উঠাৰ আশংকা প্ৰকাশ কৰিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড। শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হ'বলগীয়া এইটো হ'ব মন কী বাতৰ প্ৰথম খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই খণ্ডৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ ঠিক পাছতেই আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooo

দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে যোৰহাট ষ্টেডিয়ামত জিলা ভিত্তিক যোগ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখন উদ্বোধন কৰে অসম অসামৰিক সেৱাৰ বিষয়া ৰাজীৱ ৰয়ে। এই অনুষ্ঠানটোত যোৰহাটৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক, স্বাস্থ্য সেৱাৰ বিষয়া-কৰ্মচাৰী, আয়ুস আৰু যোগ কৰ্মীসকল উপস্থিত আছিল।

oooooo

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফ্ল'ৰিডাত কালি নিশা অনুষ্ঠিত এখন খেলত পাকিস্তানে আয়াৰলেণ্ডক তিনি উইকেটত পৰাস্ত কৰে। ১০৭ ৰানৰ লক্ষ্য সমুখত লৈ পাকিস্তানে ১৮ অভাৰ ৫ টা বলত ৭ উইকেট হেৰুৱাই ১১১ ৰান সংগ্ৰহ কৰে। পাকিস্তানৰ হৈ অধিনায়ক বাবৰ আজমে ৩২ ৰান কৰি অপৰাজিত হৈ ৰয়। আয়াৰলেণ্ডৰ হৈ বেৰী মেককাৰ্থীয়ে ৩টা, কাৰ্টিছ কেম্পাৰে দুটা উইকেট দখল কৰাৰ বিপৰীতে মাৰ্ক আডাইৰ আৰু বেঞ্জামিন হোৱাইটে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে পাকিস্তানে টছত জিকি বলিং কৰাৰ সিদ্ধান্ত লয়। প্ৰথমে বেটিং কৰি আয়াৰলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেট হেৰুৱাই ১০৬ ৰান সংগ্ৰহ কৰে। আয়াৰলেণ্ডৰ হৈ গেৰেথ ডেলানীয়ে সৰ্বাধিক ৩১ ৰান কৰে। পাকিস্তানৰ হৈ শ্বাহীন আফ্ৰিদি আৰু ইমাদ ৱাছিমে ৩টা, মহম্মদ আমিৰে দুটা উইকেট আৰু হাৰিছ ৰাউফে এটা উইকেট দখল কৰে। শ্বাহীন আফ্ৰিদিক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে ঘোষণা কৰা হয়। উল্লেখযোগ্য যে ইতিমধ্যে পাকিস্তান আৰু আয়াৰলেণ্ড প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। আনহাতে ভাৰত আৰু আমেৰিকাই গ্ৰুপ এৰ পৰা ছুপাৰ এইটত উপনীত হৈছে।

আজি গ্ৰুপ 'ডি'ৰ এখন খেলত বাংলাদেশে নেপালক ২১ ৰানত পৰাস্ত কৰে। প্ৰথমে বেটি ধৰি বাংলাদেশে নেপালক জয়ৰ বাবে ১০৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে যদিও নেপালে ১৯ অভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৮৫ ৰান সংগ্ৰহ কৰে। দ্বিতীয় খন খেলত নেডাৰলেণ্ডছে টছত জয়ী হৈ শ্ৰীলংকাক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। প্ৰথমে বেটি ধৰি শ্ৰীলংকাই নেডাৰলেণ্ডছক জয়ৰ বাবে ২০২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বাতৰি যুগুতোৱাৰ পৰলৈকে নেডাৰলেণ্ডছে ১৫ অভাৰত ৮টা উইকেট হেৰুৱাই

১০২ ৰাণ কৰি খেলি আছে। প্ৰথমে বেট ধৰি শ্ৰীলংকাই নিৰ্ধাৰিত অভাৰত ৬ টা উইকেট হেৰুৱাই 201 ৰাণ সংগ্ৰহ কৰে। আনহাতে গ্ৰুপ 'চি'ৰ এখন খেলত নিউজিলেণ্ড পাপুৱা নিউগিনিয়াৰ বিৰুদ্ধে খেলিব। খেলখন ৱেষ্ট ইণ্ডিজৰ ট্ৰা'উবাৰ ব্ৰাইন লাৰা ষ্টেডিয়ামত নিশা ৮ বজাত অনুষ্ঠিত হ'ব।

০০০০০০

ওদালগুৰি জিলাৰ কলাইগাঁৱৰ নিবাসী ধৰ্মপ্ৰাণ ব্যক্তি মইনুদ্দিন দেৱানৰ আজি পুৱতি নিশা বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। কলাইগাঁও টাউন জুমা মছজিদ পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদক তথা প্ৰাক্তন সভাপতিগৰাকী গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। বিদ্যুৎ মাচুলৰ পৰা জনসাধাৰণক সকাহ দিবলৈ মুখ্যমন্ত্ৰীৰ পদক্ষেপ সম্পৰ্কীয় এটা বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে ১ এপ্ৰিলৰ পৰা প্ৰতি ইউনিটত কমিব এক টকা শিৰোনামেৰে প্ৰকাশ কৰিছে। বাতৰিটোত ১ জুলাইৰ পৰা মুখ্যমন্ত্ৰী-মন্ত্ৰী-মুখ্য সচিব আৰু জ্যেষ্ঠ আমোলা বিষয়ায়েও বিদ্যুৎ মাচুল দিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। একেটা বাতৰিক দৈনিক অসম, দৈনিক জনমভূমি, অসমীয়া প্ৰতিদিন, আমাৰ অসম কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ তথ্যত ভিত্তি কৰি দৈনিক জনমভূমি কাকতে প্ৰতিমাহে দুই শতাধিক ৰহিঙীয়াই প্ৰৱেশ কৰে অসমসহ ১৪ ৰাজ্যত শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে। বাতৰিটোত  বাংলাদেশৰ পৰা প্ৰতিমাহে ২০০ জনতকৈ অধিক ৰহিঙীয়া মুছলমানে ভাৰতত অনুপ্ৰৱেশ কৰে বুলি উল্লেখ কৰা হৈছে।

দৈনিক অসম কাকতত সংস্থাপনত ব্যৰ্থ দক্ষতা বিকাশ মিছন শিৰোনামৰ বাতৰিক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰা হৈছে। বাতৰিটোত প্ৰশিক্ষণপ্ৰাপ্ত যুৱক-যুৱতীসকলৰ বাবে সংস্থাপনৰ অভাৱ বুলি প্ৰকাশ কৰা হৈছে।

দৈনিত অগ্ৰদূত কাকতত অসমসহ উত্তৰ-পূবৰ পাঁচটা প্ৰকল্পত অতিৰিক্ত ব্যয় ৩৫ হাজাৰ ৫৮৩ কোটি টকাৰ শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰা হৈছে। চৰকাৰী পুঁজিৰ বৃহৎ লোকচানক লৈ গভীৰভাৱে অসন্তুষ্ট কেন্দ্ৰীয় চৰকাৰ বুলি উল্লেখ কৰা বাতৰিটোত দেশৰ কেইবাখনো ৰাজ্যত এনে লোকচানৰ সন্মুখীন কেন্দ্ৰীয় চৰকাৰ বুলি উল্লেখ কৰা হৈছে।

বিহাৰ চৰকাৰৰ প্ৰতিবেদনৰ ভিত্তিত আমাৰ অসম কাকতে নীটৰ একোখন প্ৰশ্নকাকত ৩০ লাখ টকাত শিৰোমানেৰে এটা বাতৰি প্ৰকাশ কৰিছে।

লোকসভাৰ অধ্যক্ষ নিৰ্বাচনত বিজেপিক সমৰ্থন কৰিব জেডিইউ আৰু টি ডি পিয়ে এই বাতৰিক অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

লোকসভাৰ নিৰ্বাচন সফলতাৰে সম্পন্ন হ'ল যদিও অন্ত পৰা নাই ই ভি এম বিতৰ্ক। এই বাতৰিক অসমীয়া খবৰ কাকতে ই ভি এমক লৈ পুনৰ উত্তাল ৰাজনীতি শিৰোনামেৰে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত খনিজ পদাৰ্থ নিষ্কাষণ সম্পৰ্কীয় আলোচনাত মিলিত হোৱা এটা বাতৰিক দি আছাম ট্ৰিবিউন কাকতত প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

২০২৬ৰ আগত বিদ্যুৎ মাচুল হ্ৰাস কৰাৰ বাবে এ পি ডি চি এলক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শিৰোনামেৰে এটা বাতৰি দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - ১৫ বিদেশীসহ ২ হাজাৰ পৰ্যটক ছিকিমত আবদ্ধ, ভাৰত-ভূটান সীমান্তত মেলেৰিয়াৰ প্ৰাৰ্দুৰ্ভাৱ, কিউবাত ভাৰতৰ ৰাষ্ট্ৰদূত নিযুক্ত হাফলঙৰ আৰ্মষ্ট্ৰং ছাঙছং ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত